**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-11-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***---------------***

১। ৫টা সমষ্টিৰ উপ-নিৰ্বাচনলৈ মাজত মাত্ৰ ৪টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান।

২। নতুন দিল্লীত আজি কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ সতৰ্কতা সজাগতা সপ্তাহৰ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ অংশগ্ৰহণ।

৩। অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ।

৪। ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত তেল খননৰ প্ৰস্তাৱ কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ নাকচ।

*আৰু*

৫। ডাৰবানৰ কিংছমিডত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল।

0000000

ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই কালি চামগুৰি আৰু বিহালী সমষ্টিৰ দলীয় প্ৰাৰ্থী দুগৰাকীৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সন্ধিয়া তেওঁ বিহালীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক সুশান্ত বৰগোহাঁইৰ লগতে কেইবাজনো বিজেপিৰ জ্যেষ্ঠ নেতাই বিহালী সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কালি চিদলী বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাক সবিশেষ জনাব চিৰাং জিলাৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে।

-বাইট-

বঙাইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবেও ৰাজ্যৰ মূল ৰাজনৈতিক দলসমূহেও প্ৰচাৰ অভিযান চলাই আছে। সমষ্টিটোত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ আজি বিজেপিৰ লগতে অগপৰ কেইবাজনো জ্যেষ্ঠ নেতাই প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। কংগ্ৰেছ দলেও সমষ্টিটোত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান ব্যাপক কৰি তুলিছে। এই সন্দৰ্ভত আমাৰ সংবাদাতা তেজষ ত্ৰিপাঠীয়ে এনেদৰে কয় –

-বাইট-

কংগ্ৰেছ দলৰ সাংসদ ৰকিবুল হুছেইনেও কালি চামগুৰিৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়েও বিহালী সমষ্টিত প্ৰচাৰ চলায়।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ সতৰ্কতা সজাগতা সপ্তাহৰ অনুষ্ঠানত ভাষণ দিব। কেন্দ্ৰীয় সতৰ্কতা আয়োগে চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতিবছৰে এই সপ্তাহ পালন কৰে। এইবেলি ৰাষ্ট্ৰৰ সমৃদ্ধিৰ বাবে সততাৰ সংস্কৃতিৰ মূলমন্ত্ৰৰে ২৮ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ এই সপ্তাহ পালন কৰা হয়। সতৰ্কতা সজাগতা সপ্তাহৰ লগতে আয়োগে ১৬ আগষ্টৰ পৰা ১৫ নৱেম্বৰলৈ তিনিমহীয়া প্ৰতিৰোধমূলক সতৰ্কতা অভিযানৰ আয়োজন কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু সংস্থাই এই অভিযানত ভাগ লৈছে।

অনুষ্ঠানত কেন্দ্ৰীয় সতৰ্কতা আয়োগে প্ৰস্তুত কৰা ৩ খন পুস্তিকা উন্মোচন কৰা হ'ব। এই পুস্তিকাৰ উপৰি ডাক বিভাগে সতৰ্কতা, সজাগতা সপ্তাহ ২০২৪ সন্দৰ্ভত জাৰি কৰা বিশেষ কভাৰো উন্মোচন কৰিব।

০০০০০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত তেল খননৰ প্ৰস্তাৱ নাকচ কৰিছে। মন্ত্ৰালয়ে গোচৰৰ মাজতে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন শপতনামা দাখিল কৰি তেল খননৰ প্ৰস্তাৱ বাতিল কৰাৰ কথা ব্যক্ত কৰে। উল্লেখযোগ্য যে ২০২০ চনৰ ১১ মে'ত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত সাতটা স্থানত তেল খননৰ বাবে অইল ইণ্ডিয়া লিমিটেডক পাৰিপাৰ্শ্বিক অনুমোদন প্ৰদান কৰিছিল। কিন্তু সকলো নিয়ম উলংঘা কৰি অইল ইণ্ডিয়াক পাৰিপাৰ্শ্বিক অনুমোদন দিয়া বুলি অধিবক্তা মৃন্ময় খাটনিয়াৰে উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল।

০০০০০০০

কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত পূৰ্বোত্তৰ আদি মহোৎসৱ মুকলি কৰিব। জনজাতীয় শিল্প-সংস্কৃতি, খাদ্য আৰু পণ্য প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয় আৰু ট্ৰাইফইডে এই মহোৎসৱৰ আয়োজন কৰিছে। ৰাজ্য চৰকাৰৰ শিক্ষা তথা জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকিব। আজিৰেপৰা পৰা ১৫ নৱেম্বৰলৈ হ'বলগীয়া মহোৎসৱত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে কাইলৈৰ পৰা দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ১৯৯৮ চনৰ ৯ নৱেম্বৰত কলাক্ষেত্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছিল। কাইলৈ পুৱা কলাক্ষেত্ৰৰ কীৰ্তনঘৰত নাম-প্ৰসংগ আৰু আয়তীসকলৰ দিহানামেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হব। দিনৰ ভাগত বৰ্ণালী শীৰ্ষক অসমৰ বাৰে ৰহণীয়া লোকনৃত্যৰ অনুষ্ঠান আৰু সন্ধিয়া অসমৰ নাট্য তথা চলচ্চিত্ৰ জগতৰ অন্যতম পুৰোধা সদ্যপ্ৰয়াত কুলদা কুমাৰ ভট্টাচাৰ্যৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু নাট্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। দ্বিতীয় দিনা সোণালী সুদিন শীৰ্ষক ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০

শীতকাল আৰু কুঁৱলীৰ পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি পথ সুৰক্ষা সুনিশ্চিত কৰিবৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ দ্বাৰা যোৰহাটৰ কাকজান আৰু মেলেঙৰ লগতে জিলাখনৰ ভিন্ন স্থানত বেৰিকেডৰ ব্যৱস্থা কৰা হৈছে। জিলাখনত ভিন্ন স্থানত ঘাইপথসমূহৰ নিৰ্মাণকাৰ্য চলি থকাৰ পৰিপ্ৰেক্ষিতত চালকৰ সুবিধাৰ্থে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্দেশনা, ট্ৰেফিক ডাইভাৰ্ছন ব'ৰ্ডে বেৰিকেডৰ ব্যৱস্থা কৰিছে। শীতকালৰ সময়ছোৱাত সম্পূৰ্ণ হোৱা পথত ষ্ট্ৰীট লাইটসমূহ সন্ধিয়া হোৱাৰ আগতে নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি নিগম লিমিটেডক নিৰ্দেশনা প্ৰদান কৰা হয়।

ooooooo

কেন্দ্ৰীয় চৰকাৰে কয় যে যোৱা অক্টোবৰৰ শেষ ভাগলৈ ব্ৰাজিলৰ পৰা আমদানি কৰা মাটি মাহৰ দাইলৰ পৰিমাণ ৪ হাজাৰ ১০২ মেট্ৰিক টনৰ পৰা ২২ হাজাৰ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কয় যে শেহতীয়া কেইটামান বছৰত ব্ৰাজিলৰ মাটি মাহৰ দাইলৰ গুৰুত্বপূৰ্ণ যোগানকাৰী ৰূপে পৰিগণিত হৈছে আৰু দেশখন ভাৰতৰ মাটি মাহ আৰু ৰহৰ দাইলৰ আমদানিৰ উৎস হোৱাৰ সম্ভাৱনা আছে। মন্ত্ৰালয়ে লগতে ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় গ্ৰাহক সংঘৰ মাধ্যমেৰে অসম, মেঘালয়, ত্ৰিপুৰা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহত পিঁয়াজ বিতৰণ কৰা বুলি প্ৰকাশ কৰিছে। এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ জনসাধাৰণৰ বাবে উচিত মূল্যত পিঁয়াজৰ উপলব্ধতা সুনিশ্চিত কৰিব বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

ooooooo

অসম সাহিত্য সভাৰ নিৰ্বাচনী প্ৰক্ৰিয়াই গতি লাভ কৰিছে। ২০২৫-২৭ বৰ্ষৰ উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ বাবে কালিৰে পৰা মনোনয়ন পত্ৰ জমা দিয়া প্ৰক্ৰিয়া আৰম্ভ হৈছে। সাহিত্য সভাৰ সূত্ৰই জনোৱা অনুসৰি প্ৰথম দিনা দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ গুৱাহাটীৰ কাৰ্যালয়ত জমা দিছে। উপ-সভাপতি পদৰ বাবে এজন প্ৰাৰ্থী আৰু প্ৰধান সম্পাদক পদৰ বাবে এজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ জমা দিছে। সাহিত্য সভাৰ সূত্ৰই জনোৱা অনুসৰি যোৰহাট কাৰ্যালয়ৰ পৰা ইতিপূৰ্বে উপ-সভাপতি পদৰ বাবে মুঠ ৬গৰাকী আৰু প্ৰধান সম্পাদকৰ বাবে চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছে। ১০ আৰু ১১ নৱেম্বৰত দিনত ১১ বজাৰ পৰা বিয়লি ৫ বজাৰ ভিতৰত প্ৰাৰ্থীয়ে মনোনয়ন প্ৰপত্ৰ পৰীক্ষা আৰু ওজৰ-আপত্তিৰ লগতে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ১১ নৱেম্বৰত নিৰ্বাচনী সমিতিয়ে প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিব।

ooooooo

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যত বানৰ সমস্যা প্ৰতিৰোধৰ বাবে ২৭১টা জলাশয়লৈ বাৰিষা ব্ৰহ্মপুত্ৰৰ উপ-নৈসমূহৰ পানী বোৱাই নিয়াৰ পৰিকল্পনা গ্ৰহণ কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিয়াৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে Centre asks Assam to prepare note on wetlands, আমাৰ **অসম কাকতে** ৰাজ্যৰ ২৭১টা জলাশয় চিনাক্ত কৰিলে কেন্দ্ৰীয় জৰীপ সংস্থাই, **নিয়মীয়া**

**বাৰ্তা** কাকতে পানী বোৱাই নিবলগীয়া ২৭১টা জলাশয়ৰ ব্যৱহাৰিক প্ৰতিবেদন দাখিলৰ নিৰ্দেশ গৃহ সচিবৰ শিৰোনামেৰে প্ৰকাশ কৰিছে।

আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত ডনাল্ড ট্ৰাম্প মন্ত্ৰীসভাত ভাৰতীয় বংশোদ্ভৱৰ গুৰুত্বপূৰ্ণ পদ পোৱাৰ সম্ভাৱনাৰ বাতৰিটো আজি প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে বিদেশ সচিব হ'ব পাৰে নিক্কী হেলী, বিবেক ৰামস্বামী, ববী জিন্দালেও পাব পাৰে গুৰুদায়িত্ব, **অসমীয়া খবৰ** কাকতে আমেৰিকাত ভাৰতীয় মূলৰ দপদপনি, চি আই এৰ মুৰব্বী হ'ব পাৰে কাশ পেটেল, **দৈনিক জনমভূমি** কাকতে ২০ জানুৱাৰীত ট্ৰাম্পৰ শপত গ্ৰহণ - আমেৰিকাৰ ভাবী উপ-ৰাষ্ট্ৰপতি, ভাৰতৰ জোঁৱাই ভেন্সক নাইডুৰ অভিনন্দন এই শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে।

গো-ৰক্ষকৰ দ্বাৰা গণ নিগ্ৰহৰ ঘটনা সংক্ৰান্তত অসমকে ধৰি পাঁচখন ৰাজ্যৰ মুখ্য সচিবক উচ্চতম ন্যায়ালয়ে সকিয়নী দিয়াৰ বাতৰিটো **দৈনিক অসম** কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

তামুলপুৰৰ ভাৰত-ভূটান সীমান্তত প্ৰথমটো সংহত তালাচী চকী উদ্বোধন কৰাৰ বাতৰিটো **দ্য ছেণ্টিনেল কাকতে** প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

জাপানে কাঠেৰে নিৰ্মিত বিশ্বৰ প্ৰথমটো উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। যশস্বী পণ্ডিত, সমালোচক ড০ হীৰেণ গোঁহাইক পূৰ্বাঞ্চল প্ৰকাশনে জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰাৰ বাতৰিটো **দৈনিক অসম** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত আন আন গুৰুত্বপূৰ্ণ বাতৰিৰ ভিতৰত আছে ২০২৫ৰ মাৰ্চত গেৰুকামুখ প্ৰকল্পত বিদ্যুৎ উৎপাদন আৰম্ভ, জলমানৱ এম কৰুণাকৰ ৰেড্ডীলৈ পদ্মশ্ৰী যাদৱ পায়েং আন্তঃৰাষ্ট্ৰীয় বঁটা ইত্যাদি।

এয়াই আছিল আজি প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন ।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি ডাৰবানৰ কিংছমিডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। শৃংখলাৰ দ্বিতীয়খন খেল দেওবাৰে গেকেবেৰাত খেলোৱা হ'ব। তৃতীয়খন খেল চেঞ্চুৰিয়নত আৰু চতুৰ্থ তথা অন্তিমখন খেল জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। দুয়োটা দল ইয়াৰ পূৰ্বে ব্ৰীজ টাউনৰ কেছিংটন অভেলত টি-টুৱেণ্টি বিশ্বকাপৰ ফাইনেলত সন্মুখীন হৈছিল। ভাৰত এই ৰোমাঞ্চকৰ খেলখনত ৭ ৰাণত জয়ী হৈছিল। দক্ষিণ আফ্ৰিকা ভ্ৰমণ টি-টুৱেণ্টিৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় যুৱ দলটোৰ বাবে ভৱিষ্যতে মূল গোটত স্থান লাভৰ এটা ভাল সুযোগ ৰূপে পৰিগণিত হ'ব। ভাৰত সম্প্ৰতি আই চি চিৰ পুৰুষৰ টি-টুৱেণ্টিৰ দলীয় বাছনি তালিকাত শীৰ্ষত থকাৰ বিপৰীতে দক্ষিণ আফ্ৰিকা ষষ্ঠ স্থানত আছে।

০০০০০০০০

ভাৰতৰ কিৰণ জৰ্জে আজি ইক্সান চহৰত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। জৰ্জে কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত টাইৱানৰ চি য়ু জেনক ২১-১৭, ১৯-২১, ২১-১৭ গেমত পৰাস্ত কৰে। কিৰণ জৰ্জ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা একমাত্ৰ ভাৰতীয় খেলুৱৈ।

০০০০০০০

**সমাপ্ত**